চীনের আক্রমণ

•

ভারত আর চীন সীমান্ত সম্পর্কে
কিছু তথ্যপাতি

•

[illegible]

ভাৰত আৰু চীনৰ মাজত সীমা সম্পৰ্কীয় বিৰোধ অলপতেহে উদ্ভৱ হৈছে

১৯৫৯ চনৰ জানুৱাৰী মাহত চীন চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ভাৰতৰ ওচৰত এটি সীমা বিৰোধীৰ কথা উল্লেখ কৰে আৰু সেইবছৰৰ চেপ্তেম্বৰ মাহত, ১৯৫৬ চনত তেওঁলাকৰ দ্বাৰা প্ৰকাশিত এখন মানচিত্ৰৰ ওপৰত ভিত্তি কৰি সীমান্তৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৫০,০০০ বৰ্গ মাইল ভাৰতীয় এলেকাৰ ওপৰত দাবী জনায়। যি হওক, ১৯৬০ চনৰ জুনমাহত যেতিয়া দুয়োখন দেশৰ বিষয়াসকলে এই প্ৰশ্নটি লৈ বিবেচনা কৰিবলৈ বহে তেতিয়া চীনে আন এখন মানচিত্ৰ দাখিল কৰে আৰু সেই মানচিত্ৰত পশ্চিম অঞ্চলত নতুনকৈ আৰু এটি সীমা ৰেখা দেখুওৱা হয় আৰু তেওঁলোকৰ পূৰ্ব্বৰ দাবীৰ ওপৰিও লাডাখত আৰু ২০০০ বৰ্গমাইল অঞ্চল অন্তৰ্ভুক্ত কৰা হয়।

গতিকে ভাৰতৰ সৈতে সীমা বিৰোধৰ প্ৰশ্নটো বহু দিনৰ পুৰণি বুলি চীনাসকলে কৰা দাবীৰ কোনো যুক্তিকতা নাই।

ভাৰত আৰু চীনৰ সীমান্ত ২,৬৪০ মাইললৈকে জুৰি আছে। চীনৰ তিব্বত অঞ্চলৰ সৈতে ছিকিম আৰু ভোটানৰ সীমাও ইয়াৰ অন্তৰ্ভুক্ত। ছিকিম আৰু ভোটান ভাৰতৰ সৈতে বিশেষ চুক্তিত আবদ্ধ।

এই গোটেই ছোৱা সীমান্ত সন্ধি চুক্তিৰ দ্বাৰা নাইবা চিৰাচৰিত প্ৰথাৰ দ্বাৰা বা উভয় প্ৰথাৰ দ্বাৰা স্বীকৃত আৰু বৰ্ত্তমান বিবাদৰ আগলৈকে কোনো চীন চৰকাৰে এই চিৰাচৰিত সীমান্তৰ ওপৰত থকা ভাৰত চৰকাৰৰ অধিকাৰ সম্পৰ্কে কোনো ধৰণৰ প্ৰশ্ন উত্থাপন কৰা নাই। চীন চৰকাৰে কয় যে এই সীমান্ত সম্পূৰ্ণভাবে অচিহ্নিত। এই কথা একেবাৰে মিছা। এই চিৰাচৰিত সীমান্ত শত শত বছৰ ধৰি সুবিদিত। জলৰেখাৰ ভৌগোলিক নীতি অনুসৰি ধাৰ্য্য কৰা এই সীমান্ত প্ৰায়বিলাক ঠাইত হিমালয় পৰ্ব্বতৰ

শিখৰেদি গৈছে আৰু বিশেষ আন্তৰ্জাতিক চুক্তিৰ দ্বাৰা এই সীমান্ত সমৰ্থিত হৈছে।

তিনিটা অঞ্চল

পশ্চিম অঞ্চলৰ সীমান্ত হল ছিংকিয়াং, তিব্বত আৰু জম্মু আৰু কাশ্মীৰৰ মাজৰ প্ৰায় ১১শ মাইল দীঘল সীমাৰেখা। চিৰাচৰিত প্ৰথা অনুযায়ী বহুদিন ধৰি স্বীকৃত এই সীমান্ত ১৬৮৪ খৃষ্টাব্দৰ চুক্তিৰ দ্বাৰা সমৰ্থিত আৰু পাছত ১৮৪২ খৃষ্টাব্দত এপিনে জম্মু আৰু কাশ্মীৰৰ প্ৰতিনিধি আৰু আনপিনে দলৈ লামা আৰু চীনৰ সম্ৰাটৰ মাজত স্বাক্ষৰিত চুক্তি অনুযায়ী পুনৰায় সমৰ্থিত হয়। ১৮৪৭-৪৮ চনত বৃটেন আৰু চীনৰ মাজত যি কূটনৈতিক পত্ৰাদি বিনিময় হয় তাতো এই সীমান্ত সমৰ্থিত হয়।

মধ্যম খণ্ডত ভাৰত আৰু তিব্বতৰ মাজৰ সীমাৰেখা চিহ্নিত কৰিছে উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ আৰু পঞ্জাবৰ সীমান্তই। স্পিটি এলেকাৰ এই পুৰণি আৰু বহুকাল ধৰি স্বীকৃত সীমান্ত ওপৰোক্ত ১৬৮৪ আৰু ১৮৪২ খৃষ্টাব্দৰ চুক্তিতো পুনৰায় সমৰ্থিত হয়। সেইসময়ত ওচৰৰ লাহারল এলেকা সহ স্পিটি লাডাখৰ অংশ আছিল। ১৮৮৯-১৮৯০ চনৰ কূট-নৈতিক পত্ৰালাপত বৰাহটী এলেকাৰ সীমা সম্পৰ্কে উল্লেখ কৰা হয় আৰু ১৯৫৪ চনৰ চুক্তিতো সেই সীমা সমৰ্থিত হয়। ১৯১৪ চনত তিব্বত আৰু ভাৰত চৰকাৰ উভয়েই স্বীকাৰ কৰি লয় যে এই এলেকাৰ উচ্চতম জলধাৰাটিক দুয়োখন দেশৰ মাজৰ সীমান্ত বুলি ধৰা হব।

পূব অঞ্চলত হিমালয় পৰ্ব্বতৰ উচ্চতম জলধাৰাটিক দুয়ো দেশৰ মধ্যৱৰ্ত্তী চিৰাচৰিত সীমা বুলি ধৰা হয়। এই চিৰাচৰিত আৰু চিৰস্বীকৃত সীমান্তক ১৯১৪ চনৰ চুক্তিত পুনৰ সমৰ্থিত কৰা হৈছে। তিব্বত আৰু ভাৰতৰ মাজত সীমা নিৰ্দ্দিষ্ট কৰি বৃটিছ আৰু তিব্বতীয় প্ৰতিনিধিসকলৰ মাজত ১৯১৪ চনৰ ২৪ আৰু ২৫ মাৰ্চ্চত যি পত্ৰ বিনিময় হয় আৰু চুক্তি স্বাক্ষৰিত হয়, পাছত চীনে এই ত্ৰিপাক্ষিক চুক্তি সমৰ্থন নকৰিলেও সেই চুক্তি অগ্ৰাহ্য নহয়। দৰাচলতে অৰ্ন্ততিব্বত, আৰু বহিতিব্বতৰ মাজৰ সীমা লৈ চীনে সকলোসময়তে আপত্তি জনাইছে। বৃটিছ ভাৰতীয় আৰু তিব্বতীয় প্ৰতিনিধিসকলৰ মাজত ১৯১৪ চনৰ ২৪ আৰু ২৫ মাৰ্চ্চত যিবোৰ পত্ৰ বিনিময় হয় আৰু দুয়োপক্ষৰ মাজত সীমা সম্পৰ্কে বিধিবদ্ধ চুক্তিৰ ফলত যি

মানচিত্র তৈয়াৰ কৰা হয়, ভাৰত আৰু চীনৰ মাজৰ সেই সীমা লৈ সেই সময়ৰ চীনচৰকাৰে কোনোসময়তে কোনো আপত্তি প্ৰকাশ কৰা নাছিল বা কোনো ধৰণৰ মন্তব্যও কৰা নাছিল। সেই সময়ৰ পৰাই এই সীমা মেকমোহন লাইন নামেৰে জনাজাত হয়।

চীনা অনুপ্ৰৱেশ

১৯৫৭ চনৰ পৰা যোৱা পাচ বছৰ ধৰি চীনা সেনাবাহিনীয়ে পশ্চিম অঞ্চলত (লাডাখ) ভাৰতীয় এলেকাত ক্ৰমান্বয়ে অবৈধভাৱে প্ৰৱেশ কৰি আছে, আৰু শেষত তেওঁলোকৰ বিপুল আক্ৰমণৰ মাধ্যমত জোৰ কৰি নিজৰ ইচ্ছানুযায়ী বহুকালৰ সুপ্ৰতিষ্ঠিত সীমাৰেখা সলনি কৰি লৈছে।

১৯৬২ চনৰ ৮ চেপ্তেম্বৰলৈকে অৱশ্যে একমাত্ৰ সীমান্তৱৰ্ত্তী গাঁও লংজুৰ বাহিৰে পূৰ্ব্বাঞ্চলত (নেফাসীমান্তত) চীনা বাহিনীযে দেখাদেখিকৈ কোনো আক্ৰমণ চলোৱা নাই। চীনাসকলে বহুবাৰ এই বুলি আশ্বাস দিছে যে তেওঁলোকে মেকমোহন লাইন লঙ্ঘন নকৰে। তেওঁলোকে এই বুলি প্ৰতিশ্ৰুতি দিয়ে যে বৃটিছ কৰ্ত্তৃপক্ষৰ দ্বাৰা জাপি দিয়া এই সীমা যদিও তেওঁ-লোকে বে-আইনী বুলি ভাবে তথাপিও বৰ্ম্মাৰ ক্ষেত্ৰত যেনেকৈ তেওঁলোকে স্বীকাৰ কৰিছে তেনেকৈ ভাৰতৰ ক্ষেত্ৰতো এই সীমান্ত তেওঁলোকে স্বীকাৰ কৰি লব। কিন্তু ১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ দিনা চীনা সৈন্য বাহিনীয়ে হঠাৎ সীমা লঙ্ঘন কৰি পূৰ্ব্বাঞ্চলৰ উত্তৰ পশ্চিম কোণেদি ভাৰতৰ এলেকাত প্ৰৱেশ কৰে। বহু সংখ্যক চীনা বাহিনীয়ে ভাৰতীয় সীমা অতিক্ৰম কৰি থাকে আৰু ১৯৬২ চনৰ ২০ অক্টোবৰত, পূব আৰু পশ্চিম অঞ্চলত অৱস্থিত ভাৰতীয় চকীসমূহৰ ওপৰত বিপুল আক্ৰমণ চলায়। চীনা বাহিনীয়ে যোৱা পাচ বছৰ ধৰি আক্ৰমণাত্মক অনুপ্ৰৱেশ চলাই থাকিলেও এই পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় অঞ্চলত দেখাদেখিকৈ ৰীতিমত আক্ৰমণ কৰাৰ উদ্দেশ্যে বহু সৈন্যসামন্ত প্ৰয়োগ কৰি বিপুলভাবে আক্ৰমণ আৰম্ভ কৰে।

লাডাখত চীনা সৈন্যই ভাৰতীয় চকী সমূহৰ বিৰুদ্ধে আৰ্মৰ্ড টেঙ্ক ব্যৱহাৰ কৰে। নেফা অঞ্চলত চীনাসকলে কিবিটু আৰু লংজুত আক্ৰমণ চলায়। এইদৰে ভাৰতীয় সীমান্তৰ বিভিন্ন অংশত সুপৰিকল্পিত ভাবে চীনাসকলে আক্ৰমণ চলায়।

চীনা প্ৰস্তাৱ এটা ভুৱা মাখো

১৯৬২ চনৰ ২৪ অক্টোবৰত চীন চৰকাৰে এটি তিনিদফীয়া 'শান্তি' প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুযায়ী দুয়োপক্ষই সমগ্ৰ ভাৰত আৰু চীন সীমান্তত দুয়োপক্ষৰ 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা' মানি চলিব আৰু প্ৰত্যেক পক্ষৰ সৈন্যবাহিনী এই ৰেখাৰ উভয় পিনে ২০ কিলোমিটাৰ (১২½ মাইল) দূৰলৈ আতৰি যাব আৰু যুদ্ধ বিৰতি ঘোষণা কৰিব। চীনৰ প্ৰধান মন্ত্ৰীয়ে 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা'ৰ সম্পৰ্কে দিয়া ব্যাখ্যাই এইটো সুস্পষ্টকৈ বুজাই দিয়ে যে ১৯৫৯ চনৰ ৭ নৱেম্বৰত চীন আৰু ভাৰতৰ মাজত অৱস্থিত প্ৰকৃত নিয়ন্ত্ৰণ সীমাৰেখাই হল সেই সীমাৰেখা।

১৯৬২ চনৰ ২৭ অক্টোবৰত ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে চীনৰ এই প্ৰস্তাৱ অগ্ৰাহ্য কৰে আৰু কোনো শান্তিপূৰ্ণ মীমাংসাৰ প্ৰাথমিক ব্যৱস্থা হিচাপে সৰ্ব্বশেষ অভিযানৰ পূৰ্ব্বে ১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ পূৰ্ব্বে উভয় দেশৰ মাজত যি সীমাৰেখা আছিল, সেই সীমাৰেখা পুনৰ প্ৰতিষ্ঠিত কৰিবলৈ কয়।

এই প্ৰসঙ্গত অতি সাধাৰণ এটা প্ৰশ্ন প্ৰায়েই উত্থাপন কৰা দেখা যায়। সেই প্ৰশ্নটো হল, ভাৰতে বিছাৰে চীনাসকল ১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ পূৰ্ব্বৰ সীমালৈ উলটি যাওক, আনহাতে চীনে ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ পূৰ্ব্বৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখালৈকে উলটি যোৱাৰ ইচ্ছুক। ভাৰতে এই প্ৰস্তাৱ কিয় মানি নলয়?

চীনৰ এই প্ৰস্তাৱ যিমান সাধু বুলি মনত হয় সিমান নহয়। ভাৰত আৰু আন আন দেশৰ জনমতক বিভ্ৰান্ত কৰিবলৈ চীনৰ ই এটা ভুৱা মাথো।

১৯৫৯ চনৰ ৭ নৱেম্বৰৰ সীমাৰেখাকে ধৰা যাওক। আচলতে এই সীমা ৰেখাটি কি? পূৰ্ব্বাঞ্চলত চীনৰ দাবী অনুযায়ী প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা ডাল প্ৰধানকৈ মেকমোহন লাইনৰ লগত মিল খায়। অৰ্থাৎ মেকমোহন লাইনৰ নীতি অনুযায়ী চীনে কিছুমান ঠাইত হিমালয় পৰ্ব্বতমালাৰ উচ্চতম শিখৰক প্ৰাকৃতিক সীমা হিচাপে মানি লবলৈ ৰাজি হলেও, খিঞ্জেমান, ঠাগলাৰিজৰ দক্ষিণ অংশ আৰু লংজুৰ নিচিনা কিছুমান ঠাইত এই সীমা মানি লবলৈ ৰাজি নহয়। মেকমোহন লাইনৰ পৰা ২০ কিলোমিটাৰ দূৰলৈ ভাৰতীয় সৈন্য অপসাৰণ কৰিবলৈ চীনে যি দাবী জনাইছে সেই দাবীৰ উদ্দেশ্য হল

গুৰুত্বপূৰ্ণ গিৰিপথবোৰ তেওঁলোকৰ নিয়ন্ত্ৰনত ৰাখি যেতিয়াই ইচ্ছা তেতিয়াই আক্ৰমণ চলোৱাৰ পথ মুকলি কৰি ৰখা।

মধ্য অঞ্চলতো চীনাসকল কেতিয়াও হিমালয় পৰ্ব্বত পৃষ্ঠৰ দক্ষিণলৈ অহা নাই। এই হিমালয় পৰ্ব্বত পৃষ্ঠকে প্ৰাকৃতিক সীমাৰেখা বুলি মানি লোৱা হয়। উত্তৰ প্ৰদেশৰ বাৰহটীত চীনা বাহিনীয়ে সৰ্ব্বপ্ৰথম ১৯৫৪ চনত অবৈধভাৱে প্ৰৱেশ কৰে। এই ঠাইডোখৰ সকলো সময়তে ভাৰতৰ শাসনাধীন আছিল আৰু কেতিয়াও চীনৰ নিযন্ত্ৰণত নাছিল।

লাডাখত

পশ্চিম অঞ্চলত লাডাখ সম্পৰ্কে আলোচনা কৰিলেই চীনৰ তিনি দফীয়া প্ৰস্তাৱৰ প্ৰতাৰণামূলক অভিসন্ধিবোৰ আৰু ফটফটীয়াকৈ বুজিব পৰা যায়। এই ক্ষেত্ৰতো চীনাসকলে তেওঁলোকৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা ডাল বিবৃত কৰা নাই কিন্তু সাধাৰণভাৱে দাবী কৰে যে সেই ৰেখা প্ৰধানত: চিৰাচৰিত সুপ্ৰাচীন সীমাৰ লগত মিলে। কিন্তু দৰাচলতে ১৯৫৯ চনৰ নৱেম্বৰ মাহত চীনৰ কোনো নিয়ন্ত্ৰণ ৰেখাই নাছিল। ভাৰতীয় এলেকাৰ কেইটামান বিক্ষিপ্ত চীনাঘাটিক এই নিয়ন্ত্ৰণ ৰেখা বুলি পৰিচয় দিয়া হয়। চীনাসকলে ১৯৫৭ চনৰ পৰা বলেৰে নিজৰ ইচ্ছানুযায়ী সুপ্ৰাচীন ভাৰত চীন সীমাৰেখা সলনি কৰি যদিও এইবোৰ চকী স্থাপন কৰে তথাপিও সদায়েই চীন চৰকাৰে ভাৰত চৰকাৰক আশ্বাস দি আহিছে যে ভাৰতৰ কোনো এলেকা তেওঁলোকে দখল কৰিবলৈ নিবিছাৰে। ১৯৫৯ চনৰ নৱেম্বৰত যি 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা' আছিল আৰু বৰ্ত্তমান চীনাসকলে প্ৰতাৰণা কৰি ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ যি "প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা" দাবী কৰিছে ইয়াৰ মাজত ৮,৫০০ বৰ্গ মাইলৰ তফাৎ আছে।

চীনৰ আচল উদ্দেশ্য

ওপৰোক্ত তথ্যসমূহৰ পৰা এই কথা পৰিষ্কাৰভাৱে বুজিব পাৰি যে চীনাসকলে ১৯৬২ চনৰ ২০ অক্টোবৰৰ পৰা বিপুল আক্ৰমণ চলাই যি প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা স্থাপন কৰিছে সেই সীমাৰেখাকেই ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সৈতে মিলাই তেওঁলোকৰ সীমা নিৰ্দ্দিষ্ট কৰিব বিছাৰে।

১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ ঠিক পুৰ্ব্বে দুয়োপক্ষৰ সৈন্য বাহিনীক বিভক্ত কৰি যি সীমা অৱস্থিত আছিল আৰু চীনে ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ যি কাল্পনিক প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা দাঙি ধৰিছে তাৰ মাজতো ২,৫০০ বৰ্গ মাইল ভাৰতীয় এলেকাৰ পাৰ্থক্য আছে আৰু চীনে তেওঁলোকৰ অভিযান চলাই ভাৰতৰ এই এলেকাসমূহ দখল কৰিছে। গতিকে চীনৰ প্ৰস্তাৱ মানি লোৱাৰ অৰ্থ হল, চীনক তেওঁলোকৰ সাম্প্ৰতিক অভিযানৰ ফল ভোগ কৰিবলৈ দিয়া হব আৰু ভৱিষ্যতে আৰু আক্ৰমণ চলাবৰ কাৰণে চীনক সা-সুবিধা কৰি দিয়া হব। সেই কাৰণে, যুক্তি সঙ্গত কাৰণ বশতঃ ভাৰতে চীনৰ এই তিনিদফীয়া প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে।

ভাৰতীয় এলেকাৰ ওপৰত চীনে আক্ৰমণ চলাই যায় আৰু জং বালং, টোৱাঙ, চেলা, বমডিলা, নেফাৰ অন্যান্য অঞ্চল, চিপচাপ, গালোৱান আৰু চাং চেনমো উপত্যকাৰ ভাৰতীয়-চকীসমূহ আৰু লাডাখৰ পেংগঙ্গ-স্পাঙুৰ হ্ৰদ এলেকাৰ ওপৰত বিপুল আক্ৰমণ চলায়।

ভাৰতীয় এলেকাৰ বহুখিনি অঞ্চল দখল কৰি ১৯৬২ চনৰ ২১ নৱেম্বৰত চীনে এক পাক্ষিকভাবে যুদ্ধবিৰতি ঘোষণা কৰে। চীন চৰকাৰৰ ঘোষণা অনুযায়ী :—

(১) ১৯৬২ চনৰ ১ ডিচেম্বৰৰ পৰা চীনা সৈন্যবাহিনী তেওঁলোকৰ দ্বাৰা ব্যাখ্যা কৰা 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ' ২০ কিলোমিটাৰ পিছলৈ আতৰি আহিব।

(২) পুৰ্ব্বাঞ্চলত তেওঁলোকৰ দ্বাৰা ব্যাখ্যা কৰা 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ' উত্তৰ ভাগৰ পৰাও চীনাবাহিনী ২০ কিলোমীটাৰ পিছলৈ আতৰি আহিব।

(৩) মধ্য আৰু পশ্চিম অঞ্চলত তেওঁলোকৰ দ্বাৰা বৰ্ণিত 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ' পৰা ২০ কিলোমীটাৰ পিছলৈ আতৰি আহিব।

চীনাসকলৰ বৰ্ণনা অনুযায়ী পুৰ্ব্বাঞ্চলৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা মুলতে মেকমোহন লাইনৰ লগত মিলে। পশ্চিম আৰু মধ্য অঞ্চলত, তেওঁলোকৰ একপাক্ষিক বৰ্ণনা অনুযায়ী 'প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাকে' চিৰাচৰিত সীমা বুলি কৈ সীমাৰেখাৰ প্ৰশ্নটিত আৰু আউল লগাইছে।

চীনৰ দাবী তথ্যপাতিৰ ওপৰত ভিত্তিশীল নহয়

প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা সম্পৰ্কে চীনৰ ব্যাখ্যা প্ৰত্যাখ্যান কৰি ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ১৯৬২ চনৰ ১ ডিচেম্বৰত চীনৰ প্ৰধান মন্ত্ৰীলৈ লিখে যে :—

পশ্চিম অঞ্চলত আপোনালোকে যিটো ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা বুলিছে সি মাথোন কিছুমান অ'ৰ ত'ৰ সামৰিক চকীৰ বাহিৰে একেবাৰেই নহয়। আপুনি জানে যে ১৯৫৯ চনৰ নৱেম্বৰ মাহত কিজিল জিলগা, ছিংলা, দেচ্‌পা আৰু শ্যামলুংপাত বা এই ঠাই কেইখনৰ পছিমে কোনো অঞ্চলত আৰু স্পাঙ্গুৰৰ দক্ষিণে আৰু পছিমে কোনো ঠাইত চীনাসকলৰ চকী নাছিল। এনে স্থলতো আপোনালোকৰ চৰকাৰে লাডাখত ১৯৫৯ চনৰ ৭ নৱেম্বৰৰ অৱস্থান অনুযায়ী দাবী কৰা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা ডাল ১৯৬২ চনৰ ২০ অক্টোবৰৰ ব্যাপক আক্ৰমণৰ পিচত আপোনা-লোকৰ সৈন্যদলে স্থাপন কৰা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষে কাষে গৈছে। এয়া আপোনালোকৰ প্ৰাথমিক যুদ্ধ সম্বৰণ ব্যৱস্থাৰ আঁৰত আপনোলোকে দাবী কৰা অঞ্চলৰ ওপৰত দখল ব্যৱস্থা অটুত কৰিবলৈ কৰা প্ৰচেষ্টা। এই অঞ্চলসমূহ নিজৰ কবললৈ নিবলৈ আপোনালোকে ১৯৬২ চনৰ ২০ অক্টোবৰত ব্যাপক আক্ৰমণ চলাইছিল। আমি ইয়াত সন্মত হব নোৱাৰো…"

মধ্য আৰু পূব অঞ্চলৰ বিষয়ে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে এই বুলি লিখে যে :—

বৰাহটি যি ঠাইডোখৰক আপোনালোকৰ চৰকাৰে উজী বোলে সেই ঠাইখন কেতিয়াও চীনৰ নিয়ন্ত্ৰাধীন নাছিল। পূব অঞ্চলৰ লংজু নামৰ ঠাইখন ১৯৫৯ চনৰ আগষ্ট মাহলৈকে ভাৰতীয় প্ৰশাসনাধীন আছিল আৰু সেইসময়ত চীনা সৈন্যবাহিনীয়ে ভাৰতীয় চকীৰখীয়া সৈন্যদলক আক্ৰমণ কৰে। উভয় চৰকাৰৰ মাজত বিনিময় হোৱা পত্ৰসমূহৰ পৰা দেখা যাব যে খিন খেজমানে আৰু ঢোলা অঞ্চল থাগলা পাহাৰৰ দক্ষিণে অৱস্থিত। চীনা পক্ষই দিয়া ব্যাখ্যাত এই অঞ্চলবিলাকক কেচিলাং নৈ আৰু চেদং অঞ্চল বুলি অভিহিত কৰা হৈছে যদিও, ১৯৬২ চনৰ ৮ চেপ্তেম্বৰত চীনা সৈন্য-দলে এই এলেকাত পুনৰ আক্ৰমণ কৰা সময়লৈকে এই অঞ্চল কেডোখৰ ভাৰতীয় প্ৰশাসনাধীন আছিল।

"১৯৬২ চনৰ ২৪ অক্টোবৰ তাৰিখে চীনাপক্ষই আগবঢ়োৱা ৩ দফীয়া প্ৰস্তাব আৰু ১৯৬২ চনৰ ২১ নৱেম্বৰ তাৰিখে অস্ত্ৰ সম্বৰণ আৰু

অপসাৰণ সম্পৰ্কে প্ৰকাশ কৰা চীনা পক্ষৰ বিবৃতিৰ স্পষ্ট লক্ষ্য হল এই অঞ্চল সমূহৰ ওপৰত বাস্তৱ নিয়ন্ত্ৰণ আৰোপ কৰা। কিন্তু ১৯৫৯ চনৰ ৭ নবেম্বৰ বা ১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ আগলৈকে কোনো সময়তে এই অঞ্চলসমূহ চীনাসকলৰ প্ৰশাসনাধীন নাছিল।"

ভাৰতৰ প্ৰস্তাৱ যুক্তিসঙ্গত

ভাৰত চৰকাৰে যে স্পষ্ট আৰু পোনপটীয়া প্ৰস্তাৱ আগবঢ়াইছে প্ৰধান মন্ত্ৰীয়ে পুনৰায় সেই সম্পৰ্কে চীনৰ প্ৰধান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে। সেই প্ৰস্তাৱটো হল দুয়োপক্ষৰ মাজত আলোচনা আৰম্ভ কৰাৰ আগতে সমগ্ৰ সীমান্তত ১৯৬২ চনৰ ৮ ছেপ্তেম্বৰৰ স্থিতাৱস্থাৰ পুনৰ প্ৰৱৰ্ত্তন কৰা। ভাৰতৰ এই প্ৰস্তাৱটি তথ্যৰ ওপৰত ভিত্তিশীল আৰু এটি দৃঢ়নীতিৰ ভিত্তিত ৰচিত—অৰ্থাৎ সীমান্ত প্ৰশ্ন সম্পৰ্কে শান্তিপূৰ্ণ কোনো সমাধানৰ আলোচনা আৰম্ভ কৰাৰ পূৰ্ব্বে অন্ততঃপক্ষে সাম্প্ৰতিক আক্ৰমণৰ ফলত চীনা সৈন্য বাহিনীয়ে যিবোৰ ঠাই অধিকাৰ কৰিছে সেই ঠাই এৰি তেওঁলোক যাব লাগিব।

কলম্বো সন্মিলনৰ প্ৰস্তাৱ সমূহ

সিংহলৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী চিৰিমাভো বন্দৰনায়েকে ১৯৬২ চনৰ ১০ ডিচেম্বৰত ভাৰত আৰু চীনৰ মাজৰ এই সীমা বিৰোধৰ প্ৰশ্নসমূহ আলোচনা কৰিবৰ অৰ্থে কলম্বোত সিংহল, সংযুক্ত আৰব ৰাষ্ট্ৰ, ঘানা, বৰ্ম্মা, ইন্দোনেচিয়া আৰু কাম্বোডিয়া, আফ্ৰিকা আৰু এচিয়াৰ এই ৬ খন নিৰপেক্ষ ৰাষ্ট্ৰৰ এখন সন্মিলন আহ্বান কৰে। এটি শান্তিপূৰ্ণ মীমাংসাৰ বাট উলিয়াবলৈ সন্মিলনে সৰ্ব্বসন্মতিক্ৰমে কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰে আৰু এইবোৰৰ ভিত্তিত শান্তিপূৰ্ণ আলোচনাৰ পথ প্ৰশস্ত হব বুলি ভাবে। ভাৰত আৰু চীনলৈ যিবোৰ প্ৰস্তাৱ পঠোৱা হয় সেই প্ৰস্তাৱ সমূহ হল,—

পশ্চিম অঞ্চলত চীন চৰকাৰে তেওঁলোকৰ ১৯৬২ চনৰ ২১ নবেম্বৰৰ যুদ্ধ বিৰতি প্ৰস্তাৱ অনুযায়ী ২০ কিলোমীটাৰ পিছলৈ আঁতৰি অহা উচিত। এই ক্ষেত্ৰত ভাৰত চৰকাৰ তেওঁলোকৰ বৰ্ত্তমান সামৰিক অৱস্থানতেই থাকিব।

সীমান্ত বিবাদৰ চূড়ান্ত সমাধান নোহোৱালৈকে চীনা সৈন্য বাহিনীয়ে অপসৰণ কৰা অঞ্চল সৈন্যবিমুক্ত অঞ্চল হিচাবে পৰিগনিত হব আৰু সেই অঞ্চলত ভাৰত বা চীনৰ প্ৰাক্তন অৱস্থিতিৰ অধিকাৰ সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপন নকৰি দুয়োপক্ষৰ সম্মতিক্ৰমে এই অঞ্চলটি দুয়োপক্ষৰ অসামৰিক ঘাঁটিৰ দ্বাৰা প্ৰশাসিত হব ।

পূব অঞ্চলত উভয় চৰকাৰৰ দ্বাৰা স্বীকৃত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাই যুদ্ধ বিৰতি ৰেখা হিচাপে ধৰি লোৱা যাব পাৰে। এই অঞ্চলৰ বাকী এলেকা-সমূহৰ সমস্যা ভবিষ্যত আলোচনাৰ দ্বাৰা সমাধান কৰা যাব পাৰে।

মধ্য অঞ্চলৰ সমস্যা, কোনো ধৰণৰ শক্তি প্ৰযোগ নকৰি শান্তিপূৰ্ণ উপায়েৰে সমাধান কৰা উচিত।

সম্মিলনে সিংহলৰ প্ৰধান মন্ত্ৰীক এই বুলি অনুৰোধ কৰে যে তেওঁ পিকিং আৰু দিল্লীলৈ গৈ দুই চৰকাৰৰ লগত নিজে এই প্ৰস্তাৱসমূহৰ সম্পৰ্কে আলোচনা কৰে।

শ্ৰীমতী চিৰিমাভো বন্দৰনায়েক ১৯৬২ চনৰ ৩১ ডিচেম্বৰৰ পৰা ১৯৬৩ চনৰ ৮ জানুৱাৰীলৈকে পিকিংত অৱস্থান কৰে। পিকিংৰ পৰা যেতিয়া তেওঁ উলটি আহে তেতিয়া চীন চৰকাৰে দাবী কৰে যে তেওঁলোকে প্ৰস্তাৱসমূহৰ সম্পৰ্কে বিশেষ গহঁৰি দিছে কিন্তু এই প্ৰস্তাৱসমূহ তেওঁলোকে গ্ৰহণ কৰিলে নে প্ৰত্যাখ্যান কৰিলে সেই কথা সম্পূৰ্ণ অন্ধকাৰত থাকি গল।

ব্যাখ্যা সমূহ

শ্ৰীমতী চিৰিমাভো বন্দৰনায়েক তাৰ পিচত নতুন দিল্লীলৈ আহে। নতুনদিল্লীত সংযুক্ত আৰব ৰাষ্ট্ৰৰ শাসন পৰিষদৰ সভাপতি মি: আলি চাব্ৰি আৰু ঘানাৰ বিচাৰ বিভাগৰ মন্ত্ৰী মি: কোফি আচাণ্টে ও কোৰি আটাই তেওঁৰ লগত যোগ দিয়ে।

এই সমস্যাটি সমাধান কৰা সম্পৰ্কে নিৰপেক্ষ ৰাষ্ট্ৰসমূহৰ ঐকান্তিক প্ৰচেষ্টাৰ সাক্ষ্য হিচাপে ভাৰত চৰকাৰে কলম্বো সম্মিলনৰ প্ৰস্তাৱসমূহক স্বাগত জনায়। ভাৰত চৰকাৰে এই প্ৰসঙ্গত কেইটামান বিষয় ব্যাখ্যা কৰিবলৈ কয়। কলম্বো সম্মিলনৰ তিনি গৰাকী প্ৰতিনিধিয়ে যুক্তভাৱে

ভাৰতক সেই বিষয়সমূহ ব্যাখ্যা কৰি বুজাই দিয়ে আৰু সেই ব্যাখ্যাবোৰো চীন চৰকাৰকো জনাই দিয়ে। সেইবোৰ হল :—

পশ্চিম অঞ্চল

চীনৰ ব্যাখ্যা অনুযায়ী ১৯৫৯ চনৰ ৭ নবেম্বৰত যি প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা আছিল তাৰ পৰা চীনা বাহিনী ২০ কিলোমীটাৰ পিছলৈ আতৰি যাব। ভাৰতীয় সামৰিক চকীসমূহ এই ৰেখাৰ ওপৰত আৰু এই ৰেখা পৰ্য্যন্ত থাকিব। চীনাবাহিনী ২০ কিলোমীটাৰ পিছলৈ আতৰি যোৱাৰ ফলত যি সৈন্যবিমুক্ত অঞ্চল সৃষ্টি হব সেই ঠাইত সমসংখ্যাৰ ভিত্তিত দুয়ো-পক্ষৰ অসামৰিক চকী ৰক্ষা কৰাৰ বিষয়টি কলম্বো সন্মিলনৰ প্ৰস্তাৱসমূহৰ এটি প্ৰধান অংশ। এই চকীসমূহ কোন ঠাইত স্থাপন কৰা হব সেই বোৰৰ সংখ্যা, গঠনপ্ৰণালী ইত্যাদি সম্পৰ্কে ভাৰতীয় আৰু চীনা কৰ্ম্মচাৰী সকলৰ মাজত প্ৰত্যক্ষভাবে আলোচনা হব।

পূৰ্ব্বাঞ্চল

এই অঞ্চলত ভাৰতীয় বাহিনীয়ে দুটা অঞ্চলৰ বাহিৰে আন সকলো ঠাইতে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ দক্ষিণলৈকে অৰ্থাৎ মেকমোহন লাইনৰ দক্ষিণ পৰ্য্যন্ত আগুৱাই আহিব পাৰিব। এই দুই অঞ্চল হল থাগলা ৰিডজ আৰু লংজু। এই দুই অঞ্চল সম্পৰ্কে চীন আৰু ভাৰতৰ মতবিৰোধ আছে। ঠিক এইদৰে এই দুই অঞ্চলৰ বাহিৰে চীনা বাহিনীয়েও মেকমোহন লাইনৰ উত্তৰলৈকে আগুৱাই আহিব পাৰিব। এই দুই অঞ্চলৰ ব্যৱস্থা সম্পৰ্কে ভাৰত চৰকাৰ আৰু চীন চৰকাৰে আলোচনাৰ ভিতৰেদি স্থিৰ কৰিব লাগিব।

মধ্য অঞ্চল

এই অঞ্চলত চেপ্তেম্বৰ মাহৰ পূৰ্ব্বে যি অৱস্থা আছিল, সেই অৱস্থাকে বলবৎ ৰখা উচিত আৰু এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটিব পৰা কোনো কামেই কোনো পক্ষৰে কৰা উচিত নহয়।

ভাৰতে গ্ৰহণ কৰিলে

কলম্বো প্ৰস্তাৱসমূহ সংসদত বিশদভাবে আলোচনা কৰা হয়। সংশ্লিষ্ট সমস্যাসমূহৰ সম্পৰ্কে ভাৰতৰ দাবীৰ লগত এই প্ৰস্তাৱসমূহ মোটামুটিভাবে মিলে কাৰণেই আৰু কলম্বো সন্মিলনৰ লগত সহযোগিতা কৰাৰ ঐকান্তিক

ইচ্ছাৰ প্ৰমাণ হিচাপে আৰু এই সন্মিলনৰ উদ্যোগত যি কাম আৰম্ভ হৈছে তাক সফল কৰি তোলাৰ উদ্দেশ্যে ভাৰতে এই প্ৰস্তাৱসমূহ সম্পূৰ্ণ ভাবে গ্ৰহণ কৰে আৰু সিংহলৰ প্ৰধান মন্ত্ৰীক সেই অনুযায়ী জনাই দিয়ে।

চীনে প্ৰত্যাখ্যান কৰিছে

চীন চৰকাৰে অৱশ্যে কলম্বো প্ৰস্তাৱসমূহৰ মূল বিষয়সমূহ প্ৰত্যাখ্যান কৰে। পশ্চিম অঞ্চলৰ সৈন্যবিমুক্ত এলেকাত ভাৰত আৰু চীন উভয়ৰ অসামৰিক চকী থকা উচিত এই প্ৰস্তাৱৰ তেওঁলোকে বিৰোধিতা কৰে। তেওঁলোকে দাবী কৰি থাকে যে ১৯৬২ চনৰ ৭ চেপ্তেম্বৰৰ পূৰ্ব্বে এই এলেকাত তেওঁলোকৰ থোলে সাতোটা চকী আছিল আৰু সেইবোৰ পুনৰ প্ৰতিষ্ঠিত কৰাৰ অধিকাৰ তেওঁলোকৰ থাকিব আৰু এই সৈন্যবিমুক্ত অঞ্চলত ভাৰতীয়সকলৰ কোনো ধৰণৰ অৱস্থিতি নচলিব। পূৰ্ব্বাঞ্চলত, কলম্বো প্ৰস্তাৱৰ বিৰোধিতা কৰি তেওঁলোকে কয় যে ভাৰতীয় বাহিনীয়ে সীমান্ত পৰ্য্যন্ত আগুৱাই আহিব নোৱাৰিব। এই মনোভাব গ্ৰহণ কৰি তেওঁলোকে পৰিষ্কাৰভাবে কলম্বো প্ৰস্তাৱসমূহ অগ্ৰাহ্য কৰিছে আৰু এটা মীমাংসাত উপনীত হোৱাৰ সম্পৰ্কে কলম্বো সন্মিলনৰ শক্তিসমূহৰ প্ৰচেষ্টা ব্যৰ্থ কৰি দিছে।

চীনে যদি প্ৰকৃতপক্ষে শান্তিপূৰ্ণ পদ্ধতিত বিশ্বাস কৰে, আৰু ভাৰতৰ লগত প্ৰত্যক্ষভাবে আলোচনা কৰিবলৈ বিছাৰে সেই পথ তেওঁলোকৰ বাবে মুকলি কৰি ৰখা হৈছে। কলম্বো প্ৰস্তাৱ আৰু সেইবোৰৰ ব্যাখ্যাসমূহ ভাৰতে যেনেকৈ পুৰাপুৰিভাবে গ্ৰহণ কৰিছে তেনেকৈ সেইবোৰ গ্ৰহণ কৰি চীনেও শান্তিপূৰ্ণ আলোচনা আৰম্ভ কৰিব পাৰে।


ভারত-চীন সীমান্ত
জম্মু আর কাশ্মীর
পাঞ্জাব
দিল্লী
রাজস্থান
নেপাল
বিহার
ভোটান
অসম
লাডাখ
মধ্য অঞ্চল
নেফা

লাডাখের মানচিত্র







নেফার মানচিত্র

[কলম্বো সম্মিলনের প্রস্তাব অনুযায়ী—পূর্বাঞ্চল]



ভারত-চীন সীমান্তের মধ্য অঞ্চলের মানচিত্র



সাংকেতিক চিহ্ন



স্কেল (আনুমানিক)